3 (Sem–4) ASM M 2

# 2 0 1 3

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T A.D) Assam

## ASSAMESE

( Major )

Paper : 4.2

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। সম্পূৰ্ণ বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) অসমত কেইটা বৃহৎ জনগোষ্ঠীৰ লোকে বসবাস কৰে?

(খ) 'কিৰাত' শব্দটোৱে কোনটো জনগোষ্ঠীক বুজায়?

(গ) অসমৰ সংস্কৃতিক সাধাৰণতে কেইটা ভাগত ভগাব পাৰি?

(ঘ) ড০ বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা লোকসংস্কৃতি-বিষয়ক গ্ৰন্থ এখনৰ নাম লিখা।

(ঙ) লোকসংস্কৃতিৰ প্ৰধান শ্ৰেণী কেইটা?

(চ) বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতাগৰাকীৰ নাম লিখা।

(ছ) লোকসংস্কৃতিক বুজাবৰ বাবে ড০ প্ৰফুল্ল দত্তগোস্বামীয়ে কি অভিধা ব্যৱহাৰ কৰিছে?

Bijni College Library
P.O.:Bijni, Dist:Chirang
(B.T.A.D) Assam

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) মৌখিক সংস্কৃতি বুলিলে কি বুজা ?

(খ) মাঘ বিহুৰ লগত জড়িত দুবিধ লোকাচাৰৰ উল্লেখ কৰা।

(গ) শাক্ত ধৰ্ম-সম্পৰ্কীয় দুখন গ্ৰন্থৰ নাম লিখা।

(ঘ) চকলং কি ?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লোকসংস্কৃতিৰ স্বৰূপ

(খ) শাস্ত্ৰীয় সংস্কৃতি

(গ) বৃষ্টি আনয়ন কৃত্য

(ঘ) মেকুৰী আৰু শালিকা চৰাইৰ লগত জড়িত লোকবিশ্বাস

(ঙ) সাঁচিপাতৰ পুথি

(চ) দেওধনী

(ছ) দৰঙৰ দেউল

৪। (ক) কি কি কাৰণত লোকসংস্কৃতিৰ পৰিৱৰ্তন হ'ব পাৰে ? সেই কাৰণবোৰ উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

"জীৱনৰ বিভিন্ন কৃতিয়েই হ'ল সংস্কৃতি।" কথাষাৰৰ সত্যতা যুক্তিসহ আলোচনা কৰা।

(খ) অসমীয়া সমাজ-গঠনত জনজাতীয় সমাজ আৰু সংস্কৃতিৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

অসমত বসবাস কৰা যি কোনো এটা জনগোষ্ঠীৰ সামাজিক জীৱনৰ বিষয়ে লিখা।

(গ) 'প্ৰাচীন অসমত শক্তি উপাসনা' শীৰ্ষক এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

পুৰণি অসমৰ বৈষ্ণৱ ধৰ্মৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঘ) উৎসৱ-অনুষ্ঠানক প্ৰধানকৈ কেইটা ভাগত ভগাব পাৰি? সেই ভাগবোৰৰ বিষয়ে চমুকৈ উল্লেখ কৰা। ১০

*অথবা*

অসমৰ যি কোনো এটি বসন্তোৎসৱৰ বিৱৰণ দিয়া।

★★★